# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৩১ ডিচেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ (ৰাঃ)ৰ স্বয়ং সম্পূৰ্ণ গুণৰাজিৰ স্মৃতিচাৰণ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা আৰু ছুৰা তওবাৰ ৪০ নম্বৰ আয়াত তিলাওত কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা সপ্তাহৰ খোতবা জুমাত হজৰত আবু বক্কৰ (ৰাঃ)ৰ ছুৰ গুহাৰ ঘটনা সম্পৰ্কে বৰ্ণনা কৰা হৈছিল। এই ঘটনা সম্পৰ্কে আল্লাহ তা'লা কোৰাণ কৰিমত উল্লেখ কৰিছে যে যদি তুমি ৰছুলক সহায় নকৰা তথাপি বুজিবা আগতেও আল্লাহ তা'লা তাৰ সহায় কৰিছে অৰ্থাৎ তেতিয়া সহায় কৰিছে যেতিয়া কাফিৰ সকলে তেখেত (ছাঃ)ক ঘৰৰ পৰা খেদি পঠিয়াইছিল। এনেকুৱা অৱস্থাত যে এখেত দুয়োৰে মাজত তেওঁ আছিল,যেতিয়া এওঁলোক দুয়ো ছুৰ গুহাত অৱস্থান কৰিছিল,নবী কৰিম (ছাঃ)য়ে নিজৰ লগৰীয়াক কৈছিল চিন্তা নকৰিবা নিশ্চয় আল্লাহ আমাৰ লগতে আছে। গতিকে আল্লাহ তেওঁলোকৰ ওপৰত প্ৰশান্তি নাযিল কৰে আৰু তাৰ এনেকুৱা বাহিনীৰ হতুৱাই সহায় কৰে যাক তুমি কেতিয়াও দেখা নোপোৱা; আৰু অবিশ্বাসী সকলৰ বাক্য তুচ্ছ কৰিলে আৰু যি আল্লাহৰ বাক্য সেয়া উন্নত বিজয়ী আৰু আল্লাহ শক্তিশালী,শ্ৰেষ্ঠ জ্ঞানী।

যেতিয়া অবিশ্বাসী সকলে গুহাৰ দ্বাৰ প্ৰান্তত গৈ থিয় হৈ কথা পাতি আছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)য়ে কাফিৰ সকলৰ হাতত ধৰা পৰি যোৱা ভয়ত বিচলিত হৈ পৰে। এনেতে হুজুৰ (ছাঃ)য়ে কৈছিল- لَا تَحْزَنْ اِنَّ اللّٰهَ مَعَنَا অৰ্থাৎ ভয় নকৰিবা আল্লাহ আমাৰ সৈতে আছে। ছুৰ গুহা অৱস্থিত পাহাৰৰ ওচৰত গৈ অনুসন্ধানী লোক জনে কৈছিল যে তেওঁলোকে ইয়াৰ পৰা আগলৈ যোৱা নাই। তেতিয়া তেওঁলোকৰে এজনে গুহাৰ ভিতৰলৈ উকি মাৰি চোৱাৰ চেষ্টা কৰাত উমিয়া বিন খালফে ৰাগান্বিত হৈ কৈছিল যে এই গুহা আৰু গছবিলাক মই মহম্মদ (ছাঃ)ৰ জন্মৰ আগৰ পৰাই দেখি আছো,তোমালোকৰ মাথা মস্তিষ্ক গৈছে আৰু তেওঁ ইয়াতে ক'ত থাকিব বাৰু।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে মক্কাৰ কুৰাইছ সকলে মহম্মদ (ছাঃ)ক জীৱিত অথবা মৃত ধৰি অনাৰ বাবে এশ উট পুৰস্কাৰ দিয়াৰ কথা ঘোষণা কৰি দিছিল। সেই উপঢৌকণৰ লোভত কেইবাজনও

লোক মক্কাৰ চাৰিও দিশে ৰাওনা হৈ পৰিছিল। যেতিয়া কুৰাইছৰ কিছুমান চৰদাৰে গৈ গুহাৰ ওচৰ পাইছিল তেতিয়া তেওঁলোকে দেখিবলৈ পাইছিল যে গুহাৰে দুৱাৰ মূখত যি গছ এটা আছিল; তাৰে গুহাৰ মূখৰ ওপৰত থকা ডালটোত পাৰ চৰাইয়ে বাঁহ সাজি কণী পাৰি উমনি দি আছে আৰু মকৰাই জাল বিছাইছে। সাধাৰণতে এই ৰিৱায়ত দুৰ্বল হয় কিন্তু যদি সঁচাকৈয়ে এনেকুৱা হৈছিল তেন্তে তাত অসম্ভৱ একো নাই। কাৰণ মকৰায় কেইমিনিট মানৰ ভিতৰতেই এটা ডাঙৰ জাল সাজি ল'ব পাৰে আৰু পাৰ চৰাইয়ে অলপ সময়ৰ ভিতৰতেই বাঁহ সাজি কণী দিয়াটো অসম্ভৱ নহয়। গতিকে যদি আল্লাহ তা'লাই নিজৰ ৰছুলৰ নিৰাপত্তাৰ বাবে এনেকুৱা উপায় উদ্ভাৱন কৰিছে তেন্তে এয়া কেতিয়াও অসম্ভৱ কথা  নহয়; বৰং সেই সময়ৰ বাবে এনেকুৱা হোৱাটো সম্পূৰ্ণ সঠিক ধাৰণা। উল্লেখ পোৱা যায় যে কুৰাইছ সকলে ইমানেই ওচৰ চাপি গৈছিল যে তেওঁলোকৰ ভৰি গুহাৰ ভিতৰৰ পৰা দৃষ্টি গোচৰ হৈছিল আৰু সিহঁতৰ কথা-বতৰা পতাৰ শব্দও শুনা গৈছিল। কাফিৰ সকলে আহি ইমান ওচৰ পোৱা দেখি হজৰত আবু বক্কৰ (ৰাঃ)বিচলিত হৈ পৰে তেতিয়া হুজুৰ (ছাঃ)য়ে কৈছিল যে হে আবু বক্কৰ ! তুমি সেই দুজন লোক সম্পৰ্কে কি ধাৰণা কৰা, যিসকলৰ লগত তৃতীয় জনা তেওঁলোকৰ খোদা আছে। এই কথাবোৰ শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে বেদনা সিক্ত কপা কপা মাতেৰে কৈছিল যে ইয়া ৰছুলুল্লাহ ! যদি মই মৰি যাওঁ তেন্তে মইতো বাছ,এটাই প্ৰাণ,মৰি যাম, কিন্তু যদি দুৰ্ভাগ্যবশত আপোনাৰ ওপৰত কিবা হৈ যায় তেন্তে দেখোন গোটেই উম্মতৰ উম্মত নিচিহ্ন হৈ যাব।

ছৈয়দিনা হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এই ঘটনাৰ আৰু এটা অংশ আছে যে মুছাৰ লগৰীয়া সকলে ভয়তে কৈছিল যে হে মুছা ! আমি ধৰাত পৰি গলো, কিন্তু মহম্মদ (ছাঃ)ৰ খোদা ভৰসায় তেখেত (ছাঃ)ৰ লগৰীয়া সকলৰ ওপৰত এনেকুৱা প্ৰভাৱ পেলাইছিল যে তেওঁলোকৰ জিভাত এই শব্দ উচ্চাৰিত নহয় যে আমি ধৰাত পৰি গলো,গ্ৰেপ্তাৰ হলো। তেওঁ কৈছিল মাত্ৰ এয়া যে শত্ৰুৱে আহি ইমান ওচৰ পাইছে যে যদি তেওঁলোকে আমাক দেখিব বিচাৰে তেন্তে দেখিব পাৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে বিপদৰ সেই সময়ছোৱাত আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক নিজৰ সংগী হিচাপে বাছি লোৱাটোৱে হজৰত আবু বক্কৰ (ৰাঃ)ৰ সততা আৰু পূৰ্ণ আনুগত্যৰ এটা সবল প্ৰমাণ হয়। সেই সময়ত আঁ-হজৰত (ছাঃ)ৰ সত্তৰ,আশী গৰাকী চাহাবাৰ এটা জামাত আছিল; যিসকলৰ মাজত হজৰত আলি (ৰাঃ)য়েও আছিল। কিন্তু সেই চাহাবা সকলৰ মাজৰ পৰা তেখেত (ছাঃ)য়ে নিজৰ লগৰীয়া হিচাপে হজৰত আবু বক্কৰ (ৰাঃ)ক বাছি লৈছিল। ইয়াতে কি ৰহস্য লুকাই  আছে ? মুঠতে কথা হ'ল এয়া যে নবীয়ে খোদা তা'লাৰ দৃষ্টিৰ জৰিয়তে দেখিবলৈ পায় আৰু সকলো জ্ঞান,অভিজ্ঞতা আল্লাহ তা'লাৰ ফালৰ পৰা আহি থাকে। গতিকে আল্লাহ তা'লা আঁ-হজৰত (ছাঃ)ক দিব্য দৰ্শন আৰু ইলহামৰ জৰিয়তে জনাই দিছিল যে এই কামৰ বাবে আটাইতকৈ উত্তম আৰু উপযুক্ত হ'ল হজৰত আবু বক্কৰ (ৰাঃ)। সেয়ে হজৰত আবু বক্কৰ (ৰাঃ)য়ে বিপদৰ বেলিকা আঁ-হজৰত (ছাঃ)ৰ লগত থাকে। এই সময় চোৱা ভয়ানক পৰীক্ষাৰ সময় আছিল। হজৰত মছীহ (আঃ)ৰ ওপৰত যেতিয়া এনে মহা বিপদ আহি উপস্থিত হৈছিল তেতিয়া তেখেতৰ শিষ্যসকলে তেখেতক এৰি পলায়ন কৰিছিল আৰু এজনে মিছলীয়া বুলিও কৈছিল। কিন্তু আঁ-হজৰত (ছাঃ)ৰ চাহাবা সকলে পূৰ্ণ আনুগত্য প্ৰদৰ্শন কৰে। এই শব্দটোৰ ওপৰত চিন্তা কৰা যে আঁ-হজৰত (ছাঃ)য়ে কেনেদৰে হজৰত আবু বক্কৰ (ৰাঃ)ক নিজৰ লগত মিলাই কৈছে إِنَّ اللّٰهَ مَعَنَا, مَعَنَا শব্দই তেখেত দুয়োজনকে হাঙুৰি লৈছে। অৰ্থাৎ আল্লাহ তা'লা তোমাৰ আৰু মোৰ লগত আছে। আল্লাহ তা'লা এটা পাল্লাত আঁ-হজৰত (ছাঃ)ক আৰু আনটো পাল্লাত হজৰত

আবু বক্কৰ (ৰাঃ)ক ৰাখিছে।

ৰিৱায়তত আছে যে হিজৰতৰ প্ৰোগ্ৰামৰ কাৰ্যসূচী অনুযায়ী হজৰত আবু বক্কৰ (ৰাঃ)ৰ সুদক্ষ চাহাবজাদা হজৰত আব্দুল্লাহ বিন আবু বক্কৰ ৰাতিৰ বেলিকা গুহাৰ ওচৰলৈ গৈ পাৰ হৈ যোৱা দিনটোৰ খা-খবৰ দিছিল আৰু তাৰ পৰা আঁ-হজৰত (ছাঃ)ৰ নিৰ্দেশ লৈছিল আৰু দোক-মোকালিতে ওভতি আহি মক্কা পাইছিল যেনিবা মক্কাতেই ৰাতি অতিবাহিত কৰিছে। ইফালে হজৰত আমৰ বিন ফহিৰাৰ দায়িত্ব আছিল এয়া যে ৰাতিৰ বেলিকা খিৰতি ছাগলীৰ সৈতে গুহাৰ ওচৰত গৈ ছাগলী খিৰাই গাখীৰ এখেত দুজনক দিয়াৰ পিছত ছাগলী বিলাক লৈ এনেদৰে ওভতি আহিছিল যে যাতে হজৰত আব্দুল্লাহ বিন আবু বক্কৰ তালৈ অহাৰ পদ চিহ্ন মাটিৰ পৰা মচি যায়। ছহী বুখাৰীত উল্লেখ আছে যে আব্দুল্লাহ বিন আৰিকাতে তিনি দিন পিছত ৰাতিপুৱাতে উটলৈ গুহাৰ কাষত গৈ উপস্থিত হ'ব। এই কথা মতেই আব্দুল্লাহ বিন আৰিকাতে তিনিটা দিন পিছতেই উটলৈ গুহাৰ কাষত গৈ উপস্থিত হৈছিল। আঁ-হজৰত (ছাঃ)ৰ এজনী উটনীৰ নাম কচুৱা আছিল বুলি উল্লেখ পোৱা যায়,তাইৰ ওপৰত আঁ-হজৰত (ছাঃ)য়ে আৰোহণ কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে আমৰ বিন ফহিৰাক লগত লৈ নিজৰ উটত আৰোহণ কৰিছিল আৰু আৰিকাতে নিজৰ উটৰ পিঠিত আৰোহণ কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ ঘৰত পাঁচ অথবা ছয় হাজাৰ দেৰহাম জমা ধন আছিল, সেয়া তেখেতে ঘৰৰ পৰা যাত্ৰা কৰোঁতে লগত লৈ আহিছিল। তেখেত (ৰাঃ)য়ে মক্কাৰ পৰা ওলাই অহাৰ সময়ত বৰ আফছোচ কৰি কৈছিল যে তেওঁলোকে নিজৰ নবীক খেদি পঠিয়ালে, এতিয়া এওঁলোকৰ ধ্বংস নিশ্চিত।

যেতিয়া মক্কাৰ পৰা প্ৰায় ৮২ মাইল আঁতৰত অৱস্থিত জোহফা নামক স্থানত আহি এখেত সকলে উপস্থিত হৈছিল তেতিয়া তেওঁ এই আয়াত

إِنَّ الَّذِي فَرَضَ عَلَيْكَ الْقُرْآنَ لَرَادُّكَ إِلَىٰ مَعَادٍ

অৱতীৰ্ণ হৈছিল। ইয়াৰ অৰ্থ হ'ল সি যিজনাই কোৰাণ তোমাৰ ওপৰত ফৰজ কৰিছে তোমাক নিশ্চয় এটা ঘূৰি অহা স্থানলৈ ওভতাই লৈ আনিব।

গোটেই ৰাতিটো বাট অতিক্ৰম কৰি গৈ পিছদিনাখন দুপুৰীয়া এটা টিলাৰ ছাঁত জিৰণি ল'বলৈ এই সৰু দলটোৱে ৰৈ গৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাত বিছনা পাৰি দি নবী কৰিম (ছাঃ)ক তাত বাগৰ দিবলৈ আবেদন কৰিছিল। গতিকে আঁ-হজৰত (ছাঃ)য়ে সেই বিছনাত গৈ বাগৰ দিছিল। ইয়াৰ পিছতেই হজৰত আবু বক্কৰ (ৰাঃ)য়ে বাহিৰলৈ ওলাই যায়; যাতে খবৰ ল'ব পাৰে যে কোনোবায় তেখত সকলৰ পিছানুসৰণ কৰি আহিছে নেকি।এনেতে দূৰতে দেখিবলৈ পাইছিল যে এজন ছাগলী ৰখিয়ায় ছাগলী লৈ ছাঁ বিচাৰি এই ফালে আহি আছে। ছাগলীৰ পাল লৈ অহা মানুহজন ওচৰ পাওঁতেই হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাক সুধিছিল যে তেওঁ এখেত সকলৰ বাবে ছাগলী খীৰাই গাখীৰ দিব পাৰিব নেকি। তেতিয়া সেই মানুহজনে কৈছিল হয়, দিব পৰা যাব। তাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে মানুহজনক কৈছিল যে তেন্তে তুমি আগতে ছাগলীৰ ওহাৰ ধুই লোৱা। গাখীৰ খীৰোৱাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেই গাখীৰ বৰ্ত্তনত ঢালি দিয়াই তাত পানী দিছিল যাতে গাখীৰৰ ঘনত্ব কমি যায়। তাৰ পিছত সেই গাখীৰ আঁ-হজৰত (ছাঃ)ক পান কৰিবলৈ দিছিল। সেইদিনাখন আঁ-হজৰত (ছাঃ)য়ে ইমানখিনি গাখীৰ পান কৰিছিল যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছে যে মই তেখেত (ছাঃ)ৰ গাখীৰ পান কৰা দেখি মই বৰ আনন্দিত হৈছিলো। তাৰ পিছত অভিজ্ঞ বাটকটীয়া আৰিকাতৰ নেতৃত্বত ছাহলী বস্তিৰ কাষেদি

মদিনাৰ ফালে বাট ধৰিছিল।

পুৰস্কাৰৰ লোভত আঁ-হজৰত (ছাঃ)ৰ পিছলোৱা সকলৰ মাজত এটা নাম আছিল ছুৰাকা বিন মালিক। যিজনে পিছত মুছলমান হৈ গৈছিল। তেওঁ নিজেই এই ঘটনা বৰ্ণনা কৰিছে। তেওঁৰ মতে বাৰে বাৰে এই পিছানুসৰণৰ বিপক্ষে তীৰ পালট যোৱাৰ পিছতও তেওঁ চেষ্টা চলাই গৈছিল। তাৰ উটনীয়ে জোৰেৰে উজুটি খাই বালিত ভৰি সোমাই গৈছিল। অৱশেষত তেওঁৰ বিশ্বাস উপজিছিল যে এই পিছানুসৰণ কৰাটো ঠিক হোৱা নাই। তেতিয়া ছুৰাকা পিছৰ পৰা নিৰাপত্তাৰ মাত লগাইছিল আৰু হুজুৰ (ছাঃ)ৰ ওচৰত উপস্থিত হৈ নিবেদন কৰে যে মোৰ বিশ্বাস আপুনি নিশ্চয় এদিন বাদশাহ হ'ব; মোক কোনো এটা চুক্তি পত্ৰ লিখি দিয়ক; সেই দিনা যেন মোৰ লগত সন্মান আৰু সদ ব্যৱহাৰ কৰা হয়। হুজুৰ (ছাঃ)য়ে কথা মতেই সেই চনদ লিখি দিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে নতুন বছৰৰ শুভাৰম্ভৰ কাৰণে বিশ্ব ব্যাপি জামাত আহমদীয়াক দোৱা,নফল আৰু নিজস্ব ভাৱে অথবা বাজামাত নামাজ তাহাজ্জুদৰ ফালে মনোযোগ আকৰ্ষণ কৰে। লগতে দৰূদ চৰিফ, ইস্তেগফাৰ আৰু

رَبَّنَا لَا تُزِغْ قُلُوْبَنَا بَعْدَ اِذْ هَدَيْتَنَا وَ هَبْ لَنَا مِنْ لَّدُنْكَ رَحْمَةً اِنَّكَ اَنْتَ الْوَهَّابُ

আৰু

رَبَّنَا اغْفِرْ لَنَا ذُنُوْبَنَا وَ اِسْرَافَنَا فِيْٓ اَمْرِنَا وَ ثَبِّتْ اَقْدَامَنَا وَ انْصُرْنَا عَلَى الْقَوْمِ الْكٰفِرِيْنَ

এই দোৱা সমূহ পাঠ কৰাৰ নিৰ্দেশ দিয়ে।

খোতবা জুমাৰ শেষত হুজুৰ আপোনাৰ (আইঃ)য়ে তলত উল্লেখিত তিনিজন মৰহুমিনৰ বিষয়ে চমু আভাষ দি নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

উক্ত তিনিজন মৰহুমিনৰ নাম হ'ল মকৰম মালিক ফাৰুক আহমদ খোখৰ চাহাব (প্ৰাক্তন আমিৰ জামাত জিলা মুলতান) মকৰম ৰহমাতুল্লাহ চাহাব (ইণ্ডোনেচীয়া) মকৰম আলহাজ আব্দুল হামিদ টাক চাহাব (ইয়াৰিপূৰা কাশ্মিৰ) এখেতে ২৪ ডিচেম্বৰ ২০২১ চনত ৯৪ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম আল্লাহৰ কৃপাত মুচি আছিল। এখেত মৰহুম মহম্মদ আক্ৰম টাক চাহাবৰ পুত্ৰ আছিল যিজন এই ইয়াৰিপূৰা অঞ্চলত প্ৰথম আহমদীয়ত গ্ৰহণ কৰা সকলৰ মাজত এজন আছিল। মৰহুম আব্দুল হামিদ চাহাব বহুত নেক,কোমল মিজাজি,দয়ালু,সহানুভূতিশীল আৰু নীৰৱ মানসিকতাৰ লোক আছিল। এটা দীঘলীয়া সময় জামাতৰ খিদমত কৰাৰ সুযোগ পাইছিল। জম্মু কাশ্মিৰৰ ওপৰিও ৰাজ্যিক জিলাই আমিৰ আৰু নাজিম আনছাৰুল্লাহ হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। স্থানীয় জমাতত বিভিন্ন পদত থাকি খিদমত কৰি গৈছিল। বছৰে বছৰ ধৰি আঞ্জুমান তেহেৰিকে জাদিদ ভাৰতৰ স্বাধীন সদস্য হিচাপে দায়িত্ব পালন কৰি গৈছে। ৰাজ্যিক আমিৰ হিচাপে কাম কৰা অৱস্থাত জমাতি স্কুল স্থাপন কৰি গৈছে। কেইবাখন মছজিদ আৰু মিচন শিক্ষা-দীক্ষাৰ জাগৰণ আনিবলৈ তেখেতে বৰ চেষ্টা কৰিছিল। এজন সমাজকৰ্মী হিচাপে ইয়াৰিপূৰা অঞ্চলত এখেতে বৰ সন্মান লাভ কৰিছিল। আল্লাহ তা'লা উক্ত মৰহুমিন সকলৰ মাগফিৰাত আৰু মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 31 DECEMBER 2021**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................
..................................................................................................................................
..................................................................................................................................
..................................................................................................................................
..................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**